অধ্যায় ৮ ঃ ঋণৰ মান নির্ণায়ন সেৱা (CREDIT RATING SERVICES)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ অর্থ

৮.৪ মান নির্ণায়নৰ প্রকাৰ

৮.৫ ঋণৰ মান নির্ণায়নৰ উপকাৰ

৮.৬ কোম্পানীক ঋণৰ মান নির্ণায়নৰ উপকাৰবোৰ

৮.৭ ঋণৰ মান নির্ণায়নৰ অসুবিধাসমূহ

৮.৮ ঋণৰ মান নির্ণায়নৰ উপভোক্তাসকল

৮.৯ ঋণৰ মান নির্ণায়নৰ পদ্ধতি

- ৮.৯.১ বাণিজ্যিক ক্ষতি আশংকাৰ বিশ্লেষণ
- ৮.৯.২ বিত্তীয় ক্ষতি আশংকাৰ বিশ্লেষণ
- ৮.৯.৩ ব্যৱস্থাপনাৰ বিৱর্তন প্রক্রিয়া
- ৮.৯.৪ মৌলিক বিশ্লেষণ

৮.১০ ঋণৰ মান নির্ণায়ন প্রক্রিয়াত জড়িত পদক্ষেপসমূহ

৮.১১ ভাৰতত ঋণৰ মান নির্ণায়ন

- ৮.১১.১ CRISIL
- ৮.১১.২ ICRA
- ৮.১১.৩ CARE
- ৮.১১.৪ Fitch India Limited
- ৮.১১.৫ ONICRA
- ৮.১১.৬ Brickwork Ratings (BWR)
- ৮.১১.৭ SMERA

৮.১২ ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ বাবে SEBI ৰ বিধি-বিধান

৮.১৩ SEBI ৰ আচৰণ বিধি

৮.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১৫ অধিক জানিবলৈ

৮.১৬ অগ্রগতিৰ খতিয়ান

৮.১৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঋণৰ মান নির্ণায়নৰ সংজ্ঞা আগবঢ়াব পাৰিব
- ঋণৰ মান নির্ণায়নৰ সুবিধা আৰু অসুবিধা সম্পর্কে বিস্তৃতভাৱে আলোচনা কৰিব পাৰিব
- ঋণৰ মান নির্ণায়নৰ প্রকাৰৰ সম্পর্কে অৱগত হ'ব
- ঋণৰ মান নির্ণায়নৰ পদ্ধতি সম্পর্কে অৱগত হ'ব
- ঋণৰ মান নির্ণয় কৰা প্রতিজ্ঞানবোৰৰ লগত সুপৰিচিত হ'ব
- ঋণৰ মান নির্ণায়নৰ সন্দর্ভত SEBI ৰ লিখিত ব্যৱস্থা সম্পর্কে অৱগত হ'ব।

৮.২ পৰিচয় (INTRODUCTION)

সাধাৰণ বিনিয়োগকাৰীৰ বাবে এটা বিত্তী আহিলা বা প্রতিষ্ঠানৰ বিশ্বাসযোগ্যতা, ঋণ প্রাপ্তিৰ যোগ্যতা আৰু লাভজনকতা জানিব পৰা বৰ কঠিন। এটা খৰতকীয় আৰু নিখুঁত বিনিয়োগৰ সিদ্ধান্ত ল'বলৈ এজন বিনিয়োগকাৰীয়ে এখন স্বাধীন আৰু বিশ্বাসযোগ্য প্রতিষ্ঠানৰ সহায় ল'ব লাগিব, যিটোৱে নিৰপেক্ষভাৱে আৰু বৃত্তিগত ধৰণেৰে বিচাৰ কৰিব। ভিন্ন কোম্পানীৰ ঋণৰ গুণগত আৰু বিনিয়োগকাৰীক বিনিয়োগৰ সিদ্ধান্ত ল'বলৈ সহায় কৰিব। ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে কোম্পানীৰ প্রতিভুতি ক্রমাংকনৰ সৰল প্রণালী গঢ়ি তুলিছে, যাৰ যোগেদি তেওঁলোকে বিনিয়োগকাৰীক/ঋণদাতাক ঋণ লওঁতাৰ ঋণ পৰিশোধ কৰিব পৰা আপেক্ষিক সক্ষমতাৰ ওপৰত এটা ৰায় গঢ়ি তুলিবলৈ সহায় কৰে। ঋণৰ মান নির্ণায়নৰ ব্যৱহাৰ ঋণপত্রৰ মূল্যায়ন কৰিবলৈ ব্যাপকভাৱে কৰা হয়। সময়ৰ অতিক্রমনত ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানবোৰে তেওঁলোকৰ কামৰ ক্ষেত্রফল বহুমুখী কৰি তুলিছে। চুক্তি পত্রৰ মূল্যায়নত তেওঁলোকে সম্পত্তি সমর্থক প্রতিভুতি, বাণিজ্যিক পত্র, বেংকৰ ঋণ, ইত্যাদিৰ মান নির্ণয় কৰে। ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে বিত্তীয় প্রতিষ্ঠান যেনে— বেংক, বীমা কোম্পানী, যৌথ পুঁজি আৰু গণৰাজ্যও মান নির্ণয় কৰে।

ঋণৰ মান নির্ণায়নৰ সংকল্পনা মার্কিন যুক্তৰাষ্ট্রত ১৯০৯ চনত উদ্ভাৱন হৈছিল যেতিয়া জন মুডীয়ে, মুডিচ ইন্‌ভেষ্টৰ চ্যাৰ্‌ভিচে আমেৰিকা যুক্তৰাষ্ট্রৰ ৰেইল ৰোড ব'ণ্ডৰ মান নির্ণয় কৰিছিল। যি নহওক, সংকল্পনাৰ গুৰুত্ব ১৯২৯ৰ পৰা ১৯৩৯ লৈকে হোৱা বৃহৎ মন্দা কালৰ পাছত অনুভৱ কৰা হৈছিল। তাৰ পাছতহে ঋণৰ মান নির্ণায়নৰ সংকল্পনাৰ জনপ্রিয়তা পাইছিল। Moody's Investor Service, Standards and Poor's (S&P), Fitch Investor Service হ'ল বিশ্বৰ নেতৃস্থানীয় ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান।

এই অধ্যায়টিত আমি ঋণৰ মান নির্ণায়নৰ অর্থ, লাভ, অসুবিধা, পদ্ধতি আৰু নিয়ন্ত্রণৰ দিশবোৰ বিস্তৃত আলোচনা আৰু আমি ভাৰতৰ কেইটামান ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ বুজ ল'ম।

৮.৩ অর্থ (MEANING)

ঋণৰ মান নির্ণায়ন হ'ল ঋণ পত্ৰৰ সুত আৰু মূলধনৰ সময়োপযোগী পৰিশোধৰ লগত জড়িত ক্ষতি-আশংকা তুলনামূলক মানৰ এটি ৰায়। ঋণৰ মান নির্ণায়নৰ দ্বাৰা এজন ব্যক্তিৰ কোম্পানীৰ বা আনকি দেশৰ ঋণ প্ৰাপ্তিৰ যোগ্যতা নির্ণয় কৰিব পাৰি। এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে ঋণী ব্যক্তিৰ ঋণ প্ৰতিশোধৰ সামৰ্থ আৰু ঋণ পৰিশোধত ব্যৰ্থতাৰ মূল্যায়ন কৰে। ই এজন বিনিয়োগকাৰীক কয়, ঋণ পত্ৰখন নিৰাপদ নে লোকচানজনক। ঋণ পত্ৰ বিলি কৰোতাৰ সুত পৰিশোধ আৰু মূলধন সময়তে ঘূৰাই দিব পৰা সামৰ্থৰ মূল্যায়ণ কৰে।

মান নির্ণায়ন আক্ষৰিক বা অ্যালফা-নিউমেৰিক প্ৰতীকত দেখুৱা হয়। উদাহৰণ স্বৰূপে, ক্ৰাইচিলে (CRISIL) তলত দিয়া প্ৰতীকবোৰ ঋণপত্ৰৰ মান নির্ণয়ৰ কাৰণে ব্যৱহাৰ কৰে—

AAA ইংগিত কৰে ঋণ আৰু মূলধনৰ যথাসময়ত পৰিশোধৰ গৰিষ্ঠ নিৰাপত্তা।

AA ইংগিত কৰে ঋণ আৰু মূলধনৰ যথাসময়ত পৰিশোধৰ উচ্চ নিৰাপত্তা।

A ইংগিত কৰে ঋণ আৰু মূলধনৰ সময়োপযোগী পৰিশোধৰ পৰ্যাপ্ত নিৰাপত্তা।

BBB আগবঢ়ায় বৰ্তমানত ঋণ আৰু মূলধনৰ যথাসময়ত পৰিশোধৰ যথেষ্ট নিৰাপত্তা।

BB ইংগিত কৰে ঋণ আৰু মূলধনৰ সময়োপযোগী পৰিশোধৰ অপৰ্য্যাপ্ত নিৰাপত্তা।

B ইংগিত কৰে অপাৰগতাৰ বৃহৎ প্ৰৱণতা।

C ইংগিত কৰে সহজে অপাৰগতাৰ স্থিতি।

D ইংগিত কৰে যে ঋণ পত্ৰটো বকেয়া ঋণ বা মূলধন পৰিশোধ কৰাত অপাৰগ।

প্ৰতিভুতি বিলি কৰাৰ আগতে বিলি কৰা কোম্পানীটোৰে মান নির্ণয় কৰা প্ৰতিষ্ঠানক প্ৰতিভুতিৰ মান নির্ণায়ন কৰিবলৈ অনুৰোধ জনায়। মান নির্ণায়ন স্থায়ী নহয়, ইয়াক পৰ্যাপ্তক্ৰমে সমীক্ষা কৰা হয়।

৮.৪ মান নির্ণায়নৰ প্ৰকাৰ (TYPES OF RATING)

নিম্নলিখিতবোৰ হ'ল মান নির্ণায়নৰ প্ৰকাৰ—

- **গণৰাজ্যৰ ঋণৰ মান নির্ণায়ন ঃ** গণৰাজ্যৰ ঋণৰ মান নির্ণায়ন হ'ল এখন গণৰাজ্য সত্তা যেনে ৰাষ্ট্ৰীয় চৰকাৰৰ ঋণৰ মান নির্ণায়ন। আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীয়ে যেতিয়াই এখন দেশক ঋণ বা বিনিয়োগ আগবঢ়াব লয়, তেওঁলোকে সেই দেশখনৰ মান নির্ণায়ন কৰি লয়। মান নির্ণায়নত বহুকেইটা কাৰক যেনে উন্নয়নৰ হাৰ, উদ্যোগীক আৰু কৃষি উৎপাদন, চৰকাৰৰ নীতি, মুদ্ৰাস্ফীতি, ৰাজহ ঘাটি ইত্যাদিক গ্ৰাহ্য কৰে।
- **হ্ৰস্বকালীন ঋণৰ মান নির্ণায়ন ঃ** হ্ৰস্বকালীন ঋণৰ মান নির্ণয় হ'ল এজন ব্যক্তিৰ এটা বছৰত ঋণ পৰিশোধ কৰিব নোৱৰা অৱস্থাৰ সম্ভাৱিত কাৰক।
- **ব্যৱসায়ীক ঋণৰ মান নির্ণায়ন ঃ** ব্যৱসায়ীক ঋণৰ মান নির্ণায়ন হ'ল কোম্পানীসমূহে বিলি কৰা বিত্তীয় আহিলাসমূহৰ মান নির্ণয়। এটা ব্যৱসায়িক গোষ্ঠীৰ বিত্তীয় আহিলাৰ

মান নির্ণায়ক সাম্ভাব্য বিনিয়োগকাৰীসকলৰ বাবে এক বিত্তীয় সূচক। বিনিয়োগকাৰীসকলে বিনিয়োগ কৰাৰ আগতে মাণ নির্ণায়ন আৰু বিলিদাৰৰ পর্যালোচনা কৰে।

৮.৫ ঋণৰ মান নির্ণায়নৰ উপকাৰ (BENEFITS OF CREDIT RATING)

ঋণৰ মান নির্ণায়ন বিনিয়োগকাৰী আৰু অংশ বিলি কৰা কোম্পানীৰ দুয়োৰে বাবে উপকাৰী। নিম্নলিখিতবোৰ হ'ল বিনিয়োগকাৰীলৈ ঋণৰ মান নির্ণায়নৰ উপকাৰ।

- **বিনিয়োগৰ সিদ্ধান্তত সহায় কৰে ঃ** ঋণৰ মান নির্ণায়নে অংশ বিলি কৰা কোম্পানীৰ ঋণ প্রাপ্তিৰ যোগ্যতা আৰু এখন নির্দিষ্ট প্রতিভুতিৰ সৈতে জড়িত সম্ভাৱিত লোকচান এক ধাৰণা প্রদান কৰে। ঋণৰ মান নির্ণায়নৰ ওপৰত নির্ভৰ কৰি বিনিয়োগকাৰীয়ে এনে কোম্পানীত বিনিয়োগ কৰা বা নকৰা সিদ্ধান্ত ল'ব পাৰে।
- **বিনিয়োগৰ সিদ্ধান্তৰ স্বাধীনতা ঃ** সাধাৰণ ব্যক্তিৰ কাৰণে বিনিয়োগৰ সিদ্ধান্ত লোৱা অতি কঠিন। বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ আগত তেওঁলোকে দালাল, মার্চেণ্ট বেংকাৰ বা পর্টফলিঅ' মেনেজাৰৰ পৰামর্শ ল'ব পাৰে। এখন প্রতিভুতিৰ লগত মান নির্ণায়নৰ প্রতীক সংলগ্ন কৰি ঋণৰ মান নির্ণায়ন সেৱায়ে এই কামটো সহজ কৰি তুলিছে। এটা নির্দিষ্ট আহিলাক প্রদান কৰা মান নির্ণায়নৰ প্রতীক আহিলাটোৰ ঋণ প্রাপ্তিৰ যোগ্যতাৰ পৰামর্শ দিয়ে আৰু ইয়াৰ লগত জড়িত লোকচান ভীতিৰ ইংগিত দিয়ে।
- **নিৰাপত্তাৰ নিশ্চয়তা ঃ** এটি উচ্চ ক্রমিক মানে বিনিয়োগকাৰীক আহিলাখনৰ নিৰাপত্তা নিশ্চিত কৰে। যিবিলাক কোম্পানীৰ আহিলাৰ উচ্চ ক্রমিক মান থাকে তেওঁলোকে সুস্থ বিত্তীয় অনুশাসন অব্যাহত ৰাখে।
- **আহিলাৰ বাছনি ঃ** প্রতিভুতিৰ মান নির্ণায়ন কৰি, ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানবোৰে এজন বিনিয়োগকাৰীক বহুকেইখন বিকল্পৰ পৰা এটা নির্দিষ্ট আহিলা বাছি ল'বলৈ সক্ষম কৰে।
- **মান নির্ণায়নৰ ওপৰত নির্ভৰতা ঃ** আহিলাবোৰক প্রদান কৰা ক্রমিক মানবোৰ বিশ্বাসযোগ্য আৰু নির্ভৰযোগ্য। ঋণৰ মান নির্ণায়ন কৰা প্রতিষ্ঠানবোৰ প্রকাশক কোম্পানীৰ পৰা স্বতন্ত্র হৈ থাকে আৰু তেওঁলোকৰ মাজত ব্যৱসায়ীক সংযোগ নাথাকে। সেই কাৰণে, তেওঁলোকে উচিত ক্রমিক মান দিয়ে। এইটোৱে বিনিয়োগকাৰীৰ মাজত বিশ্বাস আনে।
- **নিৰন্তৰ নিৰীক্ষণ ঃ** ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানবোৰে অকল ক্রমিক মানৰ প্রতিকেই প্রদান নকৰে তাৰ উপৰি তেওঁলোকক নিৰন্তৰভাৱে নিৰীক্ষণ কৰে। ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানবোৰে ক্রমিক মানৰ প্রতীকবোৰ কোম্পানীৰ প্রতিপাদন আৰু স্থিতিৰ ওপৰত নির্ভৰ কৰি অৱনমিত বা পদোন্নতি কৰে।

৮.৬ ঋণৰ মান নির্ণায়নৰ ফলত কোম্পানীলৈ হোৱা সুবিধাসমূহ (BENEFITS OF CREDIT RATING TO THE COMPANY)

এটা কোম্পানী যিটোৰ আহিলা বা প্রতিভুতিৰ মান নির্ণয় কৰা থাকে সি নিম্নলিখিত উপায়েৰে লাভৱান হয়।

- **পুঁজি সংগ্রহত সহায় ঃ** এটা কোম্পানীৰ কাৰণে বজাৰৰ পৰা পুঁজি সংগ্রহ কৰা বহুতেই সহজ হৈ পৰে যদি সেই কোম্পানী আহিলাবোৰ উচ্চ হাৰত ক্রমাংকন কৰা থাকে। এটি উচ্চ ঋণত মান নির্ণায়ন ক্রমাংকনে বিনিয়োগকাৰীক বিশ্বাস দিয়ে। বিনিয়োগকাৰীয়ে এনেকুৱা আহিলাও বিনিয়োগ কৰি ভাল পায়, যিটো নিৰাপত্তা আৰু সহজে নগদ ধনলৈ ৰূপান্তৰ হোৱা নিশ্চিত কৰে আৰু উচ্চ হাৰত প্রতিদান আগবঢ়ায়।
- **বাণিজ্যিক সুনাম ঃ** প্রতিভুতিৰ উচ্চ ঋণৰ মানে এটা কোম্পানীৰ বাণিজ্যিক প্রতিমা উন্নত কৰাত সহায় কৰে। এটি উচ্চ ঋণৰ মানে বিনিয়োগকাৰীৰ মাজত বিশ্বাস বৃদ্ধি কৰে। এইটোৱে কোম্পানীৰ বাণিজ্যিক সুনাম সৃষ্টি কৰাত সহায় কৰে।
- **ৰাজহুৱা বিলিকৰণৰ খৰচত হ্রাস ঃ** এটা কোম্পানী যাৰ ঋণৰ আহিলাবোৰ উচ্চ মানৰ থাকে তেওঁলোকে বজাৰৰ পৰা পুঁজি তুলিব কম কষ্ট কৰিব লাগে। এটি ভাল ঋণৰ মানে কোম্পানীক ভাল প্রচাৰ কৰায়। যিবিলাক কোম্পানীৰ আহিলাৰ উচ্চ মান থাকে তেওঁলোকে গ্রাহক, অংশীদাৰ, বিনিয়োগকাৰী আৰু ঋণদাতাৰ চকুত অধিক ভাল সুনাম আৰু বাণিজ্যিক প্রতিমা উপভোগ কৰে। বিনিয়োগকাৰীয়ে নিজৰ বিনিয়োগৰ নিৰাপত্তা অনুভৱ কৰে আৰু ঋণদাতাৰ সুত আৰু মূলধনৰ সময়ত পৰিশোধ হোৱা নিশ্চিত হয়।
- **ঋণ সংগ্রহৰত সহজতা আৰু ব্যয় হ্রাস ঃ** এটা কোম্পানী যাৰ ঋণৰ আহিলাবোৰক উচ্চ মান দিয়া গৈছে সেই কোম্পানীক বজাৰৰ পৰা পুঁজি তুলিবলৈ একেবাৰে কম কষ্ট কৰিব লগা হয়। এটি উচ্চ মানে নিম্ন ক্ষতি শংকাৰ ইংগিত দিয়ে। উচ্চ মানৰ আহিলাই কোম্পানীক কম হাৰত সুত আগবঢ়াব সক্ষম কৰে। বিনিয়োগকাৰীসকলে নিম্নহাৰত সুত গ্রহণ কৰিবলৈ সাজু যিহেতু তাত নিম্ন ক্ষতিৰ আশংকা জড়িত। উচ্চ ঋণৰ মানে কোম্পানীক ব্যাপকভাৱে বিনিয়োগকাৰী প্রদান কৰে। ই ঋণ গ্রহণ কৰিবলৈ সহজে বিত্তীয় প্রতিষ্ঠান, বেংক, বিনিয়োগী কোম্পানী, ৰাইজ ইত্যাদিৰ ওচৰ চাপিব পাৰে।
- **অজনপ্রিয় কোম্পানীক সহায় ঃ** ভাল ঋণৰ মানে কোম্পানীক উদ্ভেদ দিয়ে। যদি এটা কোম্পানীয়ে বিলি কৰা আহিলাবোৰে প্রচাৰ পায়, নিম্ন প্রচাৰ হোৱা কোম্পানীয়ে জনপ্রিয়তা পায়। এনে কোম্পানীবোৰৰ কাৰণে বজাৰৰ পৰা পুঁজি তুলিব সহজ হৈ পৰে।
- **মান নির্ণয়নে বিকাশ সুচল কৰে ঃ** মান নির্ণয়নে কোম্পানীৰ ব্যৱস্থাপকক তেওঁলোকৰ কর্ম পদ্ধতি সম্প্রসাৰণ বা তেওঁলোকৰ উৎপাদনৰ ক্রিয়াকলাপ বৈচিত্র্যপূর্ণ কৰি তুলিবলৈ উৎসাহিত কৰে। এতেকে ভৱিষ্যত কোম্পানীক বিকাশৰ বাট দেখুৱায়।

৮.৭ ঋণৰ মান নির্ণায়নৰ অসুবিধাসমূহ (DISADVANTAGES OF CREDIT RATING)

- **গুৰুত্বপূর্ণ তথ্যৰ প্রকাশ নকৰে ঃ** যিটো ব্যৱসায়িক প্রতিষ্ঠাৰ মান নির্ণয় কৰা হয় সেই কোম্পানীয়ে সমূহ তথ্য বা গুৰুত্বপূর্ণ তথ্যসমূহ ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানক নিদিব পাৰে। গুৰুত্বপূর্ণ তথ্যৰ অনুপস্থিতিত যি সিদ্ধান্ত লোৱা হয় সেইটো বিনিয়োগকাৰীক লোকচানত পেলাব পাৰে।
- **নতুন কোম্পানীৰ কাৰণে সমস্যা ঃ** মান নির্ণয় কৰা প্রতিষ্ঠানে ঋণৰ মান কোম্পানীৰ পৰা সংগ্রহ কৰা তথ্যৰ ভিত্তিত দিয়ে। মান নির্ণয় কৰা প্রতিষ্ঠানে সংগ্রহ কৰা তথ্যসমূহ মান নির্ণয় কৰা দলৰ ব্যক্তিগত পক্ষপাতিত্বৰ অধীন হ'ব পাৰে।
- **পক্ষপাতিত্বৰ সম্ভাৱনা ঃ** মান নির্ণয় কৰা প্রতিষ্ঠানে মানসমূহ কোম্পানীয়ে প্রদান কৰা তথ্যৰ ভিত্তিত দিয়ে। কিন্তু এটা নতুন কোম্পানীয়ে নিজৰ বিত্তীয় সুস্থতা প্রমাণ কৰিবলৈ যথেষ্ট তথ্য প্রদান কৰিব নোৱাৰিবও পাৰে। সেই কাৰণে নতুন কোম্পানীয়ে নিম্নতৰ ঋণৰ মান পাব পাৰে। এটি নিম্ন স্তৰৰ ঋণৰ মানে বজাৰৰ পৰা পুঁজি তুলিবলৈ সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- **স্থিৰতা ঃ** এটা কোম্পানীৰ মান নির্ণায়ন এটা নির্দিষ্ট সময়ত তাৰ বর্তমান আৰু অতীতৰ তথ্যৰ স্থিৰ অধ্যয়নৰ যোগেদি কৰা হয়। তাত বহুত ৰাজনৈতিক, আর্থিক, সামাজিক আৰু পাৰিৱেশিক কাৰকবোৰ কোম্পানীৰ ব্যৱসায়িক লেনদেনৰ ওপৰত পোনপটীয়াকৈ জড়িত হৈ আছে। মান নির্ণয় কৰাৰ পাছত যিকোনো সলনি কৰিব লগীয়া থকাটোৱে মান নির্ণায়নৰ মূল উদ্দেশ্যক পৰাস্ত কৰিব পাৰে।
- **মান নির্ণায়ন সুস্থতাৰ প্রমাণপত্র নহয় ঃ** মান নির্ণয় কৰা প্রতিষ্ঠানে দিয়া মানসমূহ কোম্পানীৰ সুতৰ দায়বদ্ধতা পূর্ণ কৰিব পৰা সামর্থৰ কেৱল এটি মত। মানৰ চিহ্নয় বিত্তীয় সুস্থতা বা উৎপাদন বা ব্যৱস্থাপক বা কর্মচাৰীবর্গৰ গুণগত নুবুজায়। অন্য শব্দত ক'বলৈ গ'লে মান নির্ণয়নে কোম্পানীৰ সম্পূর্ণ সুস্থতাৰ প্রমাণপত্র নিদিয়ে।
- **মান শ্রেণীৰ ভিন্নতা ঃ** একে আহিলাক বিভিন্ন মান নির্ণয় কৰা প্রতিষ্ঠানে বহু কাৰণত ভিন্নভাৱে মান নির্ণয় কৰিব পাৰে। এইটোৱে বিনিয়োগকাৰীৰ মাজত খেলি-মেলিৰ সৃষ্টি কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ঋণৰ মান নির্ণয়নে কি বুজায়?

.....

.....

প্রশ্ন নং ২ঃ ঋণৰ মান নির্ণায়নৰ প্রকাৰ উল্লেখ কৰা?

.....

.....

৮.৮ মান নির্ণায়নৰ ব্যৱহাৰকাৰীসকল (USERS OF CREDIT RATING)

মান নির্ণায়নৰ উপভোক্তাসকলৰ ভিতৰত তলত দিয়া ব্যক্তি বা প্রতিষ্ঠানসমূহ অন্তর্ভুক্ত ঃ

- **বিনিয়োগকাৰী ঃ** বিনিয়োগকাৰীসকল মান নির্ণায়ন সেৱাৰ প্রধান উপভোক্তা। তেওঁলোকে সাধাৰণতে ঋণৰ লগত জড়িত ক্ষতি-আশংকাৰ মূল্যায়ন আৰু বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ সময়ত বিভিন্ন আহিলা বিলি কৰা কোম্পানীসকলৰ আৰু ঋণপত্রৰ তুলনা কৰিবলৈ ঋণৰ মান নির্ণায়নৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে ব্যক্তিগত বিনিয়োগকাৰীসকলে তেওঁলোকে ক্রয় কৰা ভিন্ন পৌৰনিগম বা বাণিজ্যিক চুক্তিপত্রৰ ক্ষতি-আশংকা।
- সহনশীলতা দৃষ্টিভংগীৰ পৰা মূল্য নির্ধাৰণৰ বাবে মান নির্ণায়নৰ সহায় লয়। আনুষ্ঠানিক বিনিয়োগৰাকীসকলে মান নির্ণায়ক সেৱা তেওঁলোকৰ নিজৰ বিশ্লেষণক অধিক ফলপ্রসূ কৰিবৰ বাবে ব্যৱহাৰ কৰে।
- **মধ্যস্থতাকাৰীসকল ঃ** মধ্যস্থতাকাৰীসকল একোগৰাকী বিনিয়োগকাৰী বেংকৰ দৰে মূলধনৰ প্রবাহ বিনিয়োগকাৰীসকলৰ পৰা আহিলা বিলি কৰা কোম্পানীলৈ হোৱাত সহায় কৰে। মধ্যস্থতাকাৰীসকলে ঋণৰ মান নির্ণায়নৰ সেৱা বিভিন্ন ঋণ আহিলাৰ লগত জড়িত আপেক্ষিক ঋণ সম্বন্ধীয় ক্ষতি আশংকাৰ মানদণ্ড নির্ধাৰণ কৰিবৰ বাবে ব্যৱহাৰ কৰে, আৰু লগতে ব্যক্তিগত ব্যক্তিগত ঋণ আহিলাৰ বিলিকৰণৰ প্রাথমিক দৰ নির্ধাৰণ কৰিবলৈ আৰু আহিলাবোৰৰ দ্বাৰা পাবলগীয়া সুতৰ হাৰ নির্ধাৰণ কৰিবলৈ। মধ্যস্থতাকাৰীসকলে বিভিন্ন ঋণ সম্পর্কীয় সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত এনে কিছুমান বিশেষ ঋণৰ বিষয়সমূহ গঢ় দিয়ে যি এখন মান নির্ণয় কৰা প্রতিষ্ঠানৰ বিভিন্ন মানবোৰৰ ওপৰত চকু দিয়ে।
- **বিত্তীয় আহিলা বিলি কৰা কোম্পানী ঃ** বিত্তীয় আহিলা বিলি কৰা কোম্পানীয়ে ঋণৰ মান নির্ণায়নৰ সেৱা তেওঁলোকৰ ঋণ প্রাপ্তিৰ যোগ্যতা আৰু তেওঁলোকৰ ঋণ আহিলাৰ গুণগতৰ স্বতন্ত্র মতামত প্রদান কৰিবলৈ লয়। কোম্পানীয়ে ঋণৰ মান নির্ণয়নৰ ব্যৱহাৰ ঋণ আহিলাৰ তুলনামূলক গুণগত অৱগত কৰাবলৈ কৰে, তাৰ ফলত বিনিয়োগকাৰীৰ পৰিমাণ বৃদ্ধি কৰাব পাৰে। তাৰোপৰি, ঋণৰ মান নির্ণায়নে নতুন ঋণ আহিলাসমূহত আগবঢ়াবলগীয়া সুতৰ হাৰ অনুমান কৰিবলৈ সহায় কৰিব পাৰে। সাধাৰণতে, যদি ঋণ প্রাপ্তিৰ যোগ্যতা বেছি থাকে তেন্তে আহিলা বিলি কৰা কোম্পানীয়ে নিম্ন হাৰত সুতত পৰিশোধ কৰিও বিনিয়োগৰাকীক আকর্ষিত কৰিব পাৰে আৰু ঋণ প্রাপ্তিৰ যোগ্যতা কম থকা কোম্পানীয়ে বিনিয়োগকাৰীৰ ঋণৰ ক্ষতি আশংকা আঁতৰ কৰিবৰ কাৰণে অধিক হাৰত সুত পৰিশোধ কৰিব লগা হয়।

- **ব্যৱসায়িক আৰু বিত্তীয় প্রতিষ্ঠান ঃ** ব্যৱসায়িক আৰু বিত্তীয় প্রতিষ্ঠানে বিপৰীতপক্ষ জড়িত ক্ষতি আশংকাৰ মূল্যায়ন কৰিবলৈ ঋণৰ মান নির্ণায়নৰ ব্যৱহাৰ কৰিব পাৰে, যিটো এজন ঋণ চুক্তিৰ দলে নিজৰ দায়বদ্ধতাপূর্ণ কৰিব নোৱাৰাৰ সম্ভাব্য ক্ষতি আশংকা। উদাহৰণস্বৰূপে, এখন নির্দিষ্ট প্রতিষ্ঠানক ধাৰত টকা দিব পৰা সিদ্ধান্ত লওঁতে বা এটা কোম্পানী বাছনিত যিটোৱে ঋণ পৰিশোধ কৰাৰ নিশ্চয়তা প্রদান কৰে, তেনে ক্ষেত্রত এখন কোম্পানীয়ে বিপৰীতপক্ষ (counterparty) জড়িত ক্ষতি আশংকাৰ বিচাৰ কৰিব পাৰে। এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ বিপৰীতপক্ষ (counterparty) জড়িত ক্ষতি আশংকাৰ ওপৰত মতামতে ব্যৱসায়িক প্রতিষ্ঠানক সহায় কৰে। তেওঁলোকৰ বিত্তীয় সংস্থাৰ লগত সদৰীৰ বিশ্লেষণ কৰিবলৈ। তাৰ উপৰি তেওঁলোকে অন্য ব্যৱসায়িক সম্বন্ধ আৰু সম্ভাৱিক অংশীদাৰিত্ব লাভদায়কতাৰ মূল্যায়ন কৰাত সহায় কৰে।

৮.৯ ঋণৰ মান নির্ণায়নৰ পদ্ধতি (CREDIT RATING METHODOLOGY)

ঋণৰ মান নির্ণায়ন প্রক্রিয়াত আৱশ্যক হয় আহিলা বিলি কৰা কোম্পানী বা ঋণ লওঁতাৰ ঋণ প্রাপ্তিৰ যোগ্যতাত প্রভাৱ পেলোৱা প্রাসংগিক কাৰকসমূহৰ সর্বত্র বিশ্লেষণ আৰু অনুসন্ধান। এখন মান নির্ময় কৰা প্রতিষ্ঠানে তৈয়াৰ কৰা মান নির্ণায়নৰ পদ্ধতিত সাধাৰণতে অন্তর্ভুক্ত থাকে বাণজ্যিক ক্ষতি আশংকাৰ বিশ্লেষণ, বিত্তীয় ক্ষতি আশংকাৰ বিশ্লেষণ, ব্যৱস্থাপনাৰ ক্রমবিকাশ আৰু মৌলিক বিশ্লেষণ।

৮.৯.১ বাণিজ্যিক ক্ষতি আশংকাৰ বিশ্লেষণ (Business Risk Analysis)

বাণিজ্যিক ক্ষতি আশংকা নিশ্চিত কৰিবলৈ মান নির্ণয় কৰা প্রতিষ্ঠানে ব্যৱসায় সুচলতাৰ শক্তিক কেন্দ্র কৰি কোম্পানীৰ পৰিৱেশৰ মূল্যায়ন কৰে। যদি এটা কোম্পানী এটাতকৈ অধিক ব্যৱসায়ত জড়িত থাকে, প্রত্যেক খণ্ডৰ বিশ্লেষণ পৃথকভাৱে কৰা হ'ব। বাণিজ্যিক ক্ষতি আশংকাৰ বিশ্লেষণত অন্তর্ভুক্ত থকা মুখ্য কাৰকসমূহ হ'ল কোম্পানীৰ অৱস্থান যেনে— বজাৰত স্থান, আকাৰ, বৈচিত্র্য প্রদান ব্যৱস্থাপনা, কার্য পৰিচালনাৰ দক্ষতা আৰু বৈধস্থান ইত্যাদি, উদ্যোগ সম্পর্কীয় কাৰক যেনে— উদ্যোগৰ গতিধাৰা, উদ্যোগৰ গঠন, বজাৰৰ আকাৰ, উন্নয়নৰ সম্ভাব্য, প্রতিদ্বন্দ্বিতা, প্রযুক্তিগত সলনি, নিয়ামক পৰিৱেশ ইত্যাদি।

৮.৯.২ বিত্তীয় ক্ষতি আশংকাৰ বিশ্লেষণ (Financial Risk Analysis)

বিত্তীয় ক্ষতি আশংকাৰ মান নির্ণয় কৰিবৰ বাবে মান নির্ণয় কৰা প্রতিষ্ঠানে বিত্তীয় ব্যৱস্থাপনাৰ বিভিন্ন দিশসমূহ গভীৰভাৱে চিন্তি চায়।

হিচাপৰক্ষণৰ পদ্ধতি, বিৱৰণ প্রদান আৰু প্রকাশকৰণৰ নিয়ম, আয়

চিনাক্তকৰণৰ পদ্ধতি, অৱক্ষয় নীতি ইত্যাদি মূল্যাংকণ কৰি হিচাপৰক্ষণৰ গুণ নির্ণয় কৰা হয়। ব্যৱসায়ত টকা-পইচাৰ আগমন আৰু নির্গমনৰ পর্যাপ্ততাৰ ভৱিষ্যত টকা-পইচাৰ আগমন আৰু নির্গমন সক্রিয় নিধিৰ আৱশ্যকতা আৰু পুঁজিৰ বাজেট অধ্যয়ন কৰি নির্ধাৰণ কৰা হয়। বিত্তীয় নমনীয়তাৰ পৰিমাপ বৈকল্পিক বিত্তীয় পৰিকল্পনাৰ বিকাশ কৰা বা নকৰাৰ ওপৰত নির্ভৰ।

৮.৯.৩ ব্যৱস্থাপনাৰ বিৱর্তন প্রক্রিয়া (Management Evolution)

ই ব্যৱস্থাপকৰ অতীতৰ কার্যকুশলতা বিৱৰণ, ব্যৱস্থাপনাৰ লক্ষ্যৰ মূল্যায়ণ, ৰণনীতি আৰু দর্শনাশাস্ত্র, পৰিকল্পনা আৰু নিয়ন্ত্রণ ব্যৱস্থা, প্রতিকূল পৰিস্থিতিক পৰাস্ত কৰিব পৰা সক্ষমতাৰ মূল্যায়ণৰ অধ্যয়নক সংলগ্ন কৰে।

৮.৯.৪ মৌলিক বিশ্লেষণ (Fundamental Analysis)

এইটোৱে অন্তর্ভুক্ত কৰে সম্পত্তিক নগদ ধনলৈ ৰূপান্তৰৰ ব্যৱস্থাপনা, সম্পত্তি গুণগত, লাভজনকতা আৰু সুত আৰু কৰ সংবেদনশীলতাৰ বিশ্লেষণ এটা বাণিজ্যিক অনুষ্ঠানৰ সম্পত্তিক নগদ ধনলৈ ৰূপান্তৰৰ ব্যৱস্থাপনা তাৰ পুঁজি সংগ্রহ, নগদ ধনলৈ ৰূপান্তৰ কৰিব পৰা সম্পত্তি, সম্পত্তি আৰু ঋণৰ সমকক্ষ ইত্যাদিৰ অন্তর্ভুক্ত থাকে ঋণ ব্যৱস্থাপনাৰ নীতি, ঋণ নিৰীক্ষণৰ নীতি আৰু সম্পত্তিৰ গঠনৰ অধ্যয়ন। ব্যৱসায়ৰ লাভজনকতাৰ পৰীক্ষা লাভজনকতা অনুপাত, সংৰক্ষণ আৰু অব্যৱসায়িক আয়ৰ যোগেদি কৰা হয়। সুত আৰু কৰ সংবেদনশীলতাৰ পৰিমাণ সুতৰ হাৰত সলনি, কৰৰ ভৱিষ্যত ব্যৱস্থা আৰু কৰ আইনৰ সলনিৰ ওপৰত নির্ভৰ থাকে।

৮.১০ ঋণৰ মান নির্ণায়ন প্রক্রিয়াত জড়িত পদক্ষেপসমূহ (STEPS INVOLVED IN CREDIT RATING)

- তথ্যসমূহ সংগ্রহ কৰা হয় আৰু এখন অনুষ্ঠানত এটা বৃত্তিধাৰী দলে সেই তথ্যসমূহ বিশ্লেষণ কৰে।
- যদি আৱশ্যক হয়, শীর্ষ পর্যায়ৰ ব্যৱস্থাপক, যোগান ধৰোঁতা আৰু বেপাৰীৰ লগত সভা আৰু অতিৰিক্ত তথ্য সংগ্রহ কৰিবলৈ ব্যৱসায় স্থাপনাৰ প্রস্তাৱিত স্থানলৈ পৰিদর্শনৰ ব্যৱস্থা। এই বৃত্তিধাৰী দলে মান নির্ণায়ন কমিটীক তেওঁলোকৰ অনুমোদনসমূহ দাখিল কৰে।
- কমিটীয়ে সেই প্রতিবেদনটোৰ বিস্তৃত আলোচনা কৰি মান প্রদান কৰে।
- কমিটীয়ে প্রদান কৰা মানক বিত্তীয় আহিলা বিলি কৰা কোম্পানীক জনোৱা হয় আৰু যদি সেই মানক কোম্পানীয়ে গ্রহণ কৰে তেন্তে সেইটো প্রকাশ কৰা হয়।

- তথ্যৰ গোপনীয়তা নিশ্চিত কৰে।
- এবাৰ কোম্পানীয়ে ঋণৰ মান ব্যৱহাৰ বা প্ৰকাশ কৰিব বিচাৰে, মান নির্ণয় কৰা প্ৰতিষ্ঠানে সেই বিত্তীয় আহিলাৰ গোটেই জীৱন কালত পৰিদর্শন কৰিব লাগিব, যাক নিৰীক্ষণ কোৱা হয়।

৮.১১ ভাৰতত ঋণৰ মান নির্ণায়ন (CREDIT RATING IN INDIA)

ভাৰতত ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানৰ ইতিহাস বৰ পুৰণি নহয়। ঋণ মান নির্ণয় কৰা অনুষ্ঠান গঢ়ি তোলা উন্নয়নশীল দেশসমূহৰ ভিতৰত ভাৰতো এখন। ১৯৮৮ চনত স্থাপন কৰা ক্ৰেডিত ৰেটিং ইনফৰ্মেছন চাৰ্ভিচ অফ ইণ্ডিয়া লিমিটেড (CRISIL) ভাৰতত প্ৰথম ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠান। দ্বিতীয়খন হ'ল ১৯৯০ চনত ইনভেষ্টমেণ্ট ইনফৰ্মেচন এণ্ড ক্ৰেডিট ৰেটিং এজেন্সি অফ ইণ্ডিয়া। এই কম সময়ৰ ভিতৰতে মুখ্য মান নির্ণয় কৰা প্ৰতিষ্ঠানবোৰে বিনিয়োগকাৰী আৰু নিয়ন্ত্ৰণকাৰী সংস্থাৰ মনত বিশ্বাস সঞ্চাৰিত কৰে। ভাৰতৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানবোৰে বহুত দেশত মান নির্ণয়ক প্ৰতিষ্ঠানবোৰৰ স্থাপন কৰিবৰ বাবে প্ৰশিক্ষণ আৰু কাৰিকৰী সাহায্য প্ৰদান কৰি আছে। ভাৰতবৰ্ষত ঋণৰ মান নির্ণায়ন সেৱাই বেছি গুৰুত্ব পায় আৰু জনপ্ৰিয় হয় ১৯৯০ চনৰ পাছত যেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডে মান নির্ণায়ন বাণিজ্যিক পত্ৰৰ প্ৰকাশ কৰিবলৈ আৰু কিছু প্ৰকাৰৰ ঋণৰ আহিলাৰ বাবে মান নির্ণয় বাধ্যতামূলক কৰিছিল। নিম্নলিখিত অনুচ্ছেদত আমি ভাৰতৰ কেইটামান ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰিম।

৮.১১.১ Credit Rating Information Services of India Limited (CRISIL)

CRISIL আটাইতকৈ ডাঙৰ আৰু ভাৰতবৰ্ষৰ প্ৰথম ঋণৰ মান নির্ণয় প্ৰতিষ্ঠান। CRISIL, মান নির্ণয় আৰু লোকচান ভিত্তি আৰু কৰ্মনীতি উপদেষ্টাৰ সেৱা প্ৰদান কৰাত এটা বিশ্বব্যাপী অগ্ৰগামী প্ৰতিষ্ঠান। ইয়াৰ স্থাপনা ১৯৮৭ত হৈছিল আৰু কাৰ্যকৰণ আৰম্ভ ১৯৮৮ত হৈছিল। CRISILক ICICI আৰু UTI এ স্থাপন কৰিছিল CRISIL এটা ৰাজহুৱা লিমিটেড কোম্পানী যাৰ মুখ্য কাৰ্যালয় মুম্বাইত আছে। ই ভাৰতৰ এটা শ্ৰেষ্ঠতম ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠান। CRISIL এ ৩১০০০তকৈ বেছি প্ৰতিষ্ঠানৰ আৰু ৪৭ লাখ কোটি ঋণৰ মূল্যাংকন কৰি ভাৰতৰ অপ্ৰদত্ত ঋণ পত্ৰৰ ই দুই-তৃতীয়াংশ ভাগ আৰু সর্বাধিক সংখ্যাত ভাৰতৰ অপ্ৰদত্ত সৰু আৰু মধ্যম উদ্যোগৰ ক্ৰমাংকন কৰে।

CRISIL সেৱাবোৰত আবদ্ধ আছে ঋণৰ মান নির্ণায়ন আৰু লোকচান সম্ভাৱনাযুক্তৰ মূল্যাংকন। ভাৰতৰ অর্থনীতিৰ উদ্যোগবোৰ আৰু কোম্পানীৰ গৱেষণা,

বিত্তীয় গৱেষণা পুঁজি সেৱাবোৰ, লোকচান সম্ভাৱনাযুক্তৰ পৰিচালনা আৰু বুনিয়াদ মন্ত্রণাৰ সেৱাবোৰ। CRISIL এ উৎপাদক কোম্পানী বেংক অনা বেংকীয় বিত্তীয় কোম্পানী আৰু বিত্তীয় অনুষ্ঠান, ঘৰ বিত্তায়ন কোম্পানী, বুনিয়াদ খণ্ডৰ অভ্যন্তৰত অহা পৌৰ দল আৰু কোম্পানীৰ মান নির্ণায়ন আৰু লোকচান সম্ভাৱনাযুক্তৰ মূল্যাংকনৰ সেৱাবোৰ প্রদান কৰে। ই দীর্ঘম্যাদী আহিলাবোৰ যেনে ঋণপত্র, য'ত অগ্রাধিকাৰ অংশ, গঠনমূলক বাধ্যতাবাধকবোৰ, স্থিৰ প্রমাণ পত্র, বাণিজ্যিক পত্র আৰু হ্রস্বম্যাদী প্রমাণ পত্রৰ মান নির্ণয় কৰে। ই ৰাজ্য চৰকাৰ আৰু উপ কোম্পানী আৰু বহুৰাজ্যিক কোম্পানীৰ যৌথ উদ্যোগবোৰৰ ঋণৰ মূল্যাংকন কৰে। ই বীমা কোম্পানীক বিত্তীয় ক্ষমতাৰ ক্রমাংকন কৰে।

৮.১১.২ Investment Information and Credit Rating Agency of India Limited (ICRA)

১৬ জানুৱাৰী, ১৯৯১ চনত নিগমিত কৰা হৈছিল আৰু ৩১ আগষ্ট, ১৯৯১ চনত তাৰ সেৱাবোৰ আৰম্ভ কৰিছিল। Industrial Finance Corporation of India এ অন্য অগ্রগামী বিত্তীয়/বিনিয়োগ প্রতিষ্ঠান, বাণিজ্যিক বেংক আৰু বিত্তীয় সেৱা প্রদান কৰা স্বতন্ত্র কোম্পানীবোৰ আৰু বৃত্তিধাৰী ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ লগত একগোট হৈ ICRA ৰ প্রৱর্তন কৰিছিল। ICRA এটা ৰাজহুৱা নিয়ন্ত্রিত প্রতিষ্ঠান যাৰ অংশসমূহ Bombay Stock Exchange আৰু National Stock Exchange ত সূচীভুক্ত কৰা আছে। আন্তঃৰাষ্ট্রীয় মান নির্ণায়ন কৰা প্রতিষ্ঠান Moodys Investors Service ICRA ৰ বৃহত্তম অংশধাৰক। ICRA ৰ মূল উদ্দেশ্য হ'ল বিনিয়োগকাৰীক তথ্য আৰু মার্গ প্রদর্শন বিচৰা আৰু ঋণদাতাক এটা ঋণৰপত্রৰ আৰু ঋণৰ দায়বদ্ধতাৰ লগত জড়িত ঋণৰ লোকচান ভীতি নিশ্চয় কৰা। ICRA এ সৰু উদ্যোগৰ ঋণৰ মূল্যাংকন কৰে। সমূহীয়া বিনিয়োগ আঁচনিসমূহৰ আৰু বীমা কোম্পানীৰ দাবী আদায় কৰিব পৰা সক্ষমতাৰ ক্রমাংকন কৰে। ICRA এ টকা প্রভাৱাধীন ঋণ পত্রৰ ক্রমাংকন কৰে যেনে খত আৰু ঋণপত্রৰ স্থিৰ প্রমাণপত্র, বাণিজ্যিক পত্র, আমানতৰ প্রমাণপত্র আৰু বুনিয়াদী কোম্পানীয়ে বিলি কৰা খণ্ড নির্দিষ্ট ঋণৰ দায়বদ্ধতা। ১৯৯৫ৰ পৰা ICRA এ সাধাৰণ অংশ পত্রৰ ক্রমাংকন কৰি আছে।

ICRA এ সেৱা প্রদান কৰা প্রতিষ্ঠানসমূহ হ'ল বেংক আৰু অন্যান্য বিত্তীয় প্রতিষ্ঠান, সেৱা প্রদান কৰা কোম্পানী, বীমা কোম্পানী, অনা-বেংকীয় বিত্তীয় অনুষ্ঠান, দূৰ সংযোগ কোম্পানী, উৎপাদক কোম্পানী, বিদ্যুৎ উৎপাদক কোম্পানী ইত্যাদি। কোম্পানীৰ ক্রমাংকন কৰিবলৈ ICRA এ উচ্চ শ্রেণীৰ বিশিষ্ট মান নির্ণায়নৰ পদ্ধতি বৃদ্ধি কৰিছে।

৮.১১.৩ Credit Analysis and Research Ltd. (CARE)

Credit Analysis & Research Ltd. (CARE) ১৯৯৩ চনৰ এপ্রিল মাহত নিগমিত কৰা হৈছিল এটা ঋণৰ মান নির্ণায়ন তথ্য আৰু উপদেষ্টা সেৱা প্রদান কৰা কোম্পানীৰ ৰূপত। CARE Ratings ৰ পঞ্জীভুক্ত কার্যালয় আৰু মুখ্য কার্যালয় মুম্বাইত অৱস্থিত আছে। তদুপৰি CARE Ratingsৰ ক্ষেত্রীয় কার্যালয় আহমেদাবাদ, Bangalore, Chandigarh, Chennai, Coimbatore, Hyderabad, Jaipur, Kolkata, New Delhi, Pune আৰু Mauritius। ই এটা ঋণৰ মান নির্ণয় আৰু তথ্যৰ সেৱা প্রদান কৰা কোম্পানী যিটোক Industrial Development Bank of India (IDBI) এ বিত্তীয় অনুষ্ঠান, ৰাজহুৱা/ব্যক্তিগত খণ্ডৰ বেংক আৰু ব্যক্তিগত বিত্তীয় কোম্পানীৰ লগত একত্র হৈ প্রৱর্তন কৰিছিল। CARE এ বিভিন্ন প্রকাৰৰ সেৱা প্রদান কৰে যেনে— মান নির্ণায়নৰ সেৱা, উপদেষ্টা সেৱা, তথ্য প্রদান কৰা সেৱা আৰু সমাংশ গৱেষণা সেৱা। ভাৰত চৰকাৰ, ভাৰতীয় ৰিজার্ভ বেংক আৰু ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ড CARE ৰ মান নির্ণায়ন স্বীকাৰ কৰে। CARE এ মান নির্ণায়ন সেৱা ঔদ্যোগিক কোম্পানী, ৰাজহুৱা সেৱা, বিত্তীয় প্রতিষ্ঠান, বুনিয়াদী পৰিকল্পনা, ৰাজ্য চৰকাৰ আৰু নগৰপালিকা। CARE এ সকলো প্রকাৰৰ আহিলা যেনে— বাণিজ্যিক পত্র, ম্যাদী জমা, চুক্তি পত্র আৰু ঋণপত্র মান নির্ণায়ন সেৱাৰ বাদে, CARE এ উপদেষ্টা সেৱা যেনে— পৰিকল্পনা উপদেষ্টা সেৱা আৰু বিত্তীয় পুর্ণগঠন সেৱা প্রদান কৰে। CARE এ কোম্পানীৰ কাৰণে গোপনীয় প্রতিবেদন বনায়, যিটো বিত্তীয় বিকল্প, যৌথ উদ্যোগ, অধিগ্রহণ আৰু সহযোগিতাৰ সিদ্ধান্ত লোৱাত উপকাৰী হয়।

৮.১১.৪ Fitch India Limited

ফিট্ছ ৰেটিংছে ডাফ্ এণ্ড ফেপছ ক্রেডিট কোম্পানী এপ্রিল ২০০০ চনত অধিগ্রহণ কৰা পাছত, ডাফ্ এণ্ডফেপছ ৰেটিং ইণ্ডিয়া প্রাইভেট লিমিটেড ফিট্ছ ইণ্ডিয়া লিমিটেড হৈ পৰিল। ডফ্ এণ্ড ফেপছ ক্রেডিট ৰেটিং ইণ্ডিয়া প্রাইভেট লিমিটেড হ'ল মান নির্ণয় কৰা প্রথম যৌথ কোম্পানী। যাক Financials Alliance Group আৰু আন্তঃৰাষ্ট্রীয় মান নির্ণয় কৰা প্রতিষ্ঠান Duff and Phelps এ প্রচাৰ কৰিছিল। বর্তমান Fifth Group ত অন্তর্ভুক্ত আছেঃ Fitch Ratings ঋণৰ মান নির্ণায়ন আৰু গৱেষণাত এটা বিশ্বজোৰা নায়ক, Fitch Solutions ঋণৰ বজাৰৰ তথ্য, বৈশ্লেষিক আহিলা আৰু ক্ষতি আশংকা মূল্যায়ন সেৱা প্রদান কৰা অগ্রগামী প্রতিষ্ঠান, BMI Research– ফিট্ছে বিত্তীয় প্রতিভুতিৰ স্বতন্ত্র বিশ্লেষণৰ বৃদ্ধি পোৱা দাবীক পূৰণ কৰিবলৈ এটা মান নির্ণায়নৰ ক্রম উত্থাপিত কৰিছিল। ফিট্ছ তিনিটা মান নির্ণয় কৰা এজেঞ্চিৰ ভিতৰত

এটা আছিল যি কেইটাক Securities and Exchang Commission এ প্ৰথমবাৰ পৰিসংখ্যিকীয় মান নির্ণয় কৰা প্ৰতিষ্ঠানৰ ৰূপত ৰাষ্ট্ৰীয় স্বীকৃতিৰ ঘোষণা কৰিছিল। Fitch Group বিত্তীয় তথ্যৰ সেৱা প্ৰদান কৰা এটা বিশ্বজোৰা নায়ক যাৰ কার্যকৰণ ৩০খনতকৈ অধিক দেশত আছে। Fitchৰ বিশ্বব্যাপী ৪৯টা কার্যালয় আছে যিবোৰে ৩০০০তকৈ অধিক বিত্তীয় প্ৰতিষ্ঠান আৰু ১২০০ তকৈ অধিক অংশ বিলি কৰা কোম্পানীক সামৰি লৈছে। এই কোম্পানীৰ ৮৬০০তকৈ অধিক গঠনমূলক বিত্ত লেনদেন আছে আৰু লগত ১২০০তকৈ অধিক ইউৰোপ মহাদেশৰ গঠনমূলক বিত্ত লেনদেন আৰু ২০০ এছিয়া মহাদেশৰ গঠনমূলক বিত্ত লেনদেনৰ ওপৰত নজৰ ৰাখে। ফিট্‌ছ ইণ্ডিয়াৰ ফিট্‌ছ আন্তঃৰাষ্ট্ৰীয়ৰ বিশ্বজোৰা তথ্যৰ জ্ঞানৰ প্ৰৱেশাধিকাৰ আছে। ফিট্‌ছৰ ঋণৰ মান নির্ণায়ন বিভিন্ন সত্তা আৰু আহিলা যিয়ে অন্তর্ভুক্ত কৰে বিত্তীয় প্ৰতিষ্ঠান, বীমা, সার্বভৌম আৰু আন্তর্জাতিক, বাণিজ্যিক বিত্ত, ৰাজহুৱা বিত্ত, গঠনমূলক বিত্ত, ইছলামীয় বিত্ত, বিশ্বব্যাপী বুনিয়াদ আৰু পৰিকল্পনা বিত্ত।

৮.১১.৫ Onicra Credit Rating Agency of India Limited (ONIGRA)

ONICRA ভাৰতৰ এট নেতৃস্থানীয় ঋণ আৰু কার্য সাধনৰ মান নির্ণায়ন কৰা প্ৰতিষ্ঠান। ই ১৯৯৩ চনত প্ৰতিষ্ঠিত আৰু গুৱাহাঁও চহৰত অৱস্থিত। ই ব্যক্তিগত MSME আৰু বাণিজ্যিক প্ৰতিষ্ঠানক মান নির্ণায়ন, ক্ষতি-আশংকা মূল্যায়ন আৰু বৈশ্লেষিক সমস্যাৰ সমাধান প্ৰদান কৰে। তৃতীয় পক্ষ ঋণ আৰু কার্যসাধনৰ মান নির্ণায়ন আৰু মূল্যায়নে বজাৰৰ খেলুৰৈৰ মাজত বিশ্বাস সৃষ্টি কৰে। ONICRA এ ভাৰতত ব্যক্তিগত ঋণৰ মান নির্ণায়ন সেৱাত পথিকৃৎ। ONICRA এ বিভিন্ন প্ৰকাৰৰ বিত্তীয়, কার্য সম্বন্ধীয়, উদ্যোগ আৰু বজাৰৰ তথ্য গোটোৱা আৰু বিশ্লেষণ কৰাত মুখ্য আৰু গুৰুত্বপূর্ণ ভূমিকা অংশগ্ৰহণ কৰে। তথ্যবোৰ সংশ্লেষণ কৰি সত্তাৰ স্বশাসিত, নির্ভৰযোগ্য মূল্যায়ন প্ৰদান কৰে। তাৰ পৰিণতিত অংশীদাৰক নির্ধাৰণ প্ৰক্ৰিয়াত গুৰুত্বপূর্ণ তথ্য প্ৰদান কৰে। ONICRA এ দীর্ঘদিনত বিত্তীয় ক্ষতি-আশংকা মূল্য কৰা পদ্ধতি বিকাশ কৰিছে যাৰ যোগেদি ব্যক্তিগত, সৰু আৰু মধ্যম ব্যৱসায়ীক প্ৰতিষ্ঠানৰ লেনদেনৰ ক্ষতি-আশংকা মূল্যায়ন কৰিব পাৰি। ONICRA বর্তমান বাণিজ্যিক পৰিসৰত চলি আছে। ই মটৰ গাড়ী বিত্ত, গ্ৰাহক বিত্ত, ক্ৰেডিট কার্ড বিলিকৰণ আৰু ম'বাইল ফোন সেৱা প্ৰদান কৰা কোম্পানীৰ লগত জড়িত গ্ৰাহকক সেৱা প্ৰদান কৰে।

৮.১১.৬ Brickwork Ratings India Private Ltd. (BWR)

বৃকৱার্ক ৰেটিং ইণ্ডিয়া প্ৰাইভেট লিমিটেডক ২০০৭ চনত ৰাজহুৱা বিলিকৰণ আৰু আন আহিলাৰ মান নির্ণায়নৰ সেৱাৰ যোগেদি বিনিয়োগকাৰীক গুৰুত্বপূর্ণ সিদ্ধান্ত

লোৱাত সহায় কৰিবলৈ বৃত্তিধাৰী গোটে স্থাপন কৰিছিল। BWR ৰ বাণিজ্যিক কার্যালয় বেঙ্গালুৰুত আছে আৰু New Delhi, Chandigarh, Chnnai, Guwahati, Hyderabad, Kolkata, Mumbai আৰু Ahmedabad ত ইয়াৰ কার্যালয় আছে লগতে ১৫০তকৈ অধিক স্থানত তেওঁলোকৰ প্রতিনিধি আছে। BWR SEBI লগত পঞ্জীভুক্ত, RBI ৰ পৰা স্বীকৃতি পোৱা আৰু জাতীয় ক্ষুদ্র উদ্যোক্তা কপ'ৰেশ্যনৰ (NSIC) দ্বাৰা তালিকাভুক্ত। ই বেংকৰ ঋণ, বাণিজ্যিক পত্র, MSME ৰ মান নির্ণায়ন আৰু শ্রেণী বিভাজনৰ সেৱা আগবঢ়ায়। NABARD এ বৃকৰ্ৱাকক MFI আৰু NGO ৰ শ্রেণী বিভাজনৰ কাৰণে তালিকাভুক্ত কৰিছে। বৃকৰ্ৱাবে দুই প্রকাৰৰ ঋণৰ মান প্রদান কৰে— এটা আহিলা বিলি কৰা কোম্পানীক আৰু আনখন নির্দিষ্ট ঋণপত্র বা অন্য বিত্তীয় দায়বদ্ধতাক। আহিলা বিলি কৰা কোম্পানীক প্রদান কৰা মানক 'Brickwork Counterparty Credit Rating' বুলি কোৱা হয়, যিটোৱে এজন আহিলা বিলি কৰা কোম্পানীৰ বিত্তীয় দায়বদ্ধতা পূর্ণ কৰিব পৰা সমগ্র ক্ষমতাৰ ওপৰত বর্তমানত মন্তব্য প্রতিফলিত কৰে। অন্য প্রকাৰৰ মান নির্ণায়ন হ'ল আহিলাৰ মান নির্ণায়ন, মুখ্যতঃ ঋণৰ আহিলা। ঋণৰ আহিলাৰ চাৰি প্রকাৰৰ বিশ্লেষণ কৰা হয় যেনে— বাণিজ্য বিশ্লেষণ, উদ্যোগ বিশ্লেষণ, বিত্তীয় বিশ্লেষণ আৰু পৰিচালনা বিশ্লেষণ। BWR এ ৯,৩০,০০০ কোটি টকাতকৈ অধিক ঋণৰ আহিলা যেনে চুক্তি পত্র, বেংকৰ ঋণ, প্রতিভূতি পত্রৰ মূল্যায়ন কৰিছে। BWR এ প্রায় ৫০০০ MSME, ম্যাদী জমা আৰু ১৯,৭০০ কোটিতকৈ অধিকৰ বাণিজ্যিক পত্রৰ মূল্যায়ন কৰিছিল।

৮.১১.৭ SME Rating Agency of India Ltd. (SMERA)

SMERA এ নিজৰ কার্যকৰণ ২০০৫ত এটা মান নির্ণয় কৰা প্রতিষ্ঠান স্বৰূপে আৰম্ভ কৰিছিল। SMERA ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডৰ (SEBI) লগত পঞ্জীভুক্ত আছে আৰু BASEL-II আর্হিৰ অন্তর্ভুক্তত বেংকৰ ঋণৰ মূল্যায়ন কৰিবলৈ RBI ৰ পৰা External Credit Assessment Institution (ECAI) হিচাপে স্বীকৃত। SMERA ভাৰতীয় ক্ষুদ্র শিল্প উন্নয়ন বেংক (SIDBI), DVN & Brand Street Information Services India Private Limited (D & B) আৰু ভাৰতৰ অন্য অগ্রগামী বেংকবোৰ লগত লৈ যৌথ উদ্যোগ হিচাপে আৰম্ভ কৰিছিল।

SMERA দেশৰ প্রথম মান নির্ণয় কৰা প্রতিষ্ঠান যিটোৱে ভাৰতৰ ক্ষুদ্র আৰু মধ্যম অনুষ্ঠানৰ ওপৰত প্রাথমিকভাৱে মনোযোগ দিয়ে। SME ৰ মান নির্ণায়নৰ মূল উদ্দেশ্য হ'ল বেংক-ব্যৱসায় খণ্ডৰ পৰা SME বেছিকৈ আৰু সহজে ঋণ প্রদান কৰিবলৈ সুবিধা প্রদান কৰা।

SMERA এ বিস্তাৰিত, স্বচ্ছ আৰু নির্ভৰযোগ্য মান প্রদান কৰা সন্মান লাভ কৰিছে, যিটোৱে ঋণদাতা আৰু বিনিয়োগকাৰীক সিদ্ধান্ত লোৱাত সুবিধা আৰু বিশ্বাস প্রদান কৰে। SMERA ৰ মানে ব্যাপক গ্রহণযোগ্যতা লাভ কৰিছে আৰু এতিয়া ই ঋণ দিয়া আৰু বিনিয়োগ কৰা সম্প্রদায়ৰ ভিতৰত ক্ষতি-আশংকা মূল্যায়ন কৰা প্রক্রিয়াৰ

এটা অখণ্ডনীয় অংশ হৈ পৰিছে।

SMERA ৰ পঞ্জীভুক্ত আৰু মুখ্য কার্যালয় Mumbai ত ৯খন চহৰত শাখা আৰু গোটেই ভাৰতত ৫০তকৈ অধিক দল বান্ধোন প্রতিনিধি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ ভাৰতৰ দুখন ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ নাম উল্লেখ কৰা।

.....

.....

প্রশ্ন নং ৪ঃ ঋণৰ মান নির্ণায়ন সেৱাৰ দুগৰাকী উপভোক্তাৰ নাম উল্লেখ কৰা।

.....

.....

৮.১২ ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ বাবে SEBIৰ বিধি-বিধান (SEBI Regulations of Credit Rating Agencies)

ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ড (ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান) বিধি-বিধান, ১৯৯৯ চনত ভাৰতত পৰিচালিত CRA ক নিয়ন্ত্রণ কৰিবলৈ SEBI ক কর্তৃত্ব প্রদান কৰিছে। ভাৰতত ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ লগত জড়িত নিয়ামক ব্যৱস্থাসমূহ তলত দিয়া হৈছেঃ

- **ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ পঞ্জীয়ন ঃ** ভাৰতত মান নির্ণায়নৰ ব্যৱসায় চলাবলৈ SEBI ৰ লগত পঞ্জীয়ন বাধ্যতামূলক হয়। পঞ্জীয়নৰ প্রমাণপত্রৰ বাবে আৱেদন SEBI ৰ ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ড (ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান) বিধি-বিধান, ১৯৯৯ চন প্রথম সূচীৰ Form A ত কৰিব লাগিব আৰু তাৰ লগত ২৫,০০০ টকাৰ অপৰিশোধযোগ্য মাচুল জমা কৰিব লাগিব।
- **ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ উদ্যোক্তা ঃ** তলত দিয়া প্রতিষ্ঠান সমূহ এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ প্রৱর্তক হ'ব পাৰে ঃ
  - (i) কোম্পানীৰ আইনৰ Sec 4(A)ত সংজ্ঞা দিয়া মতে ৰাজহুৱা বিত্তীয় প্রতিষ্ঠানে।
  - (ii) ভাৰতীয় ৰিজার্ভ বেংক আইন, ১৯৩৪ৰ দ্বিতীয় সূচীত অন্তর্ভুক্ত কৰা নির্ধাৰিত বেংকসমূহে।
  - (iii) RBI ৰ অনুমোদন পোৱা ভাৰতত কার্য পৰিচালনা চলাই থকা বিদেশী বেংক।
  - (iv) বিদেশী ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান যাৰ প্রতিভুতিৰ মান নির্ণায়নৰ অভিজ্ঞতা কমেও ৫ বছৰ আৰু
  - (v) কোম্পানীৰ আইন/নিগম নিকায়ৰ তলত অন্তর্ভুক্ত কৰা যিকোনো কোম্পানী যিটোৱে SEBI ৰ লগত পঞ্জীয়নৰ বাবে আৱেদন কৰাৰ পূর্বে পাঁচ বছৰ ধৰি

প্রতিবছৰে বছৰেকীয়া হিচাপ-পৰীক্ষাৰ মতে সৰ্বনিম্ন ১০০ কোটিৰ প্রকৃত মূল্য থাকে।

- **পঞ্জীয়ন প্রমাণ পত্রৰ মঞ্জুৰি ঃ** যোগ্য আৱেদনকাৰীয়ে ৫,০০,০০০ টকাৰ মাচুল পৰিশোধ কৰাত SEBI এ পঞ্জীয়নৰ প্রমাণ পত্রৰ কাৰণে মঞ্জুৰি দিয়ে, নিম্নলিখিত চর্তসমূহৰ সাপেক্ষঃ

A. CRA এ ঋণৰ মান নির্ণায়নৰ সন্দর্ভত SEBI মাজে সময়ে প্রদান কৰা নির্দেশনা/প্রচাৰ-পত্র যিবোৰ SEBI আইন/বিধি-বিধান মতে গঠিত, গোটেইবোৰ মানিব লাগিব।

B. (i) CRA এ SEBI ক দিয়া যিকোনো তথ্য কৰাত যদি মিছা/ভ্রান্তিজনক থাকে বা আৱেদন কৰা সময়ৰ পৰা বর্তমানত সলনি হৈ যায়, সিহঁতে তুৰন্তে SEBI ক লিখিতভাৱে জনাব লাগিব।

(ii) পঞ্জীয়ন প্রমাণপত্রৰ বৈধ্যতা তিনি বছৰৰ কাৰণে, পৰৱর্তী তিনি বছৰৰ কাৰণে নৱীকৰণযোগ্য।

প্রমাণপত্রৰ নৱীকৰণ ঃ প্রমাণ পত্রৰ নৱীকৰণৰ বাবে আৱেদন প্রমাণপত্রৰ বৈধ্যতা শেষ হোৱা তিনি মাহৰ আগতেই দিব লাগিব। আৱেদনৰ লগত ৩,০০,০০০ টকাৰ মাচুল দিব লাগিব।

(iii) প্রতিভুতিৰ মান নির্ণায়নৰ ওপৰত আইনী বান্ধোন ঃ ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানসমূহক (i) উদ্যোক্তা আৰু (ii) নিশ্চিত অন্য সত্তাসমূহ যেনে— উদ্যোক্তাৰ ঋণ লওঁতা, উদ্যোক্তাৰ উপকোম্পানী, বা উদ্যোক্তাৰ সহযোগী আৰু ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানৰ সহযোগী বা উপকোম্পানীয়ে বিলি কৰা প্রতিভুতিৰ মান নির্ণয় কৰিব কৰাত নিষেধ আছে।

সাধাৰণ দায়বদ্ধতা ঃ ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে মানি চলিব লগা SEBI (Credit Agencies)ৰ বিধি-বিধানত নির্দিষ্ট কৰা কেইটামান সাধাৰণ দায়বদ্ধতা তলত দিয়া হৈছে।

- SEBI এ নির্দিষ্ট কৰা আচৰণ বিধি।
- গ্রাহকৰ লগত চুক্তি।
- মানৰ নিৰীক্ষণ।
- মানৰ পুনর্নিৰীক্ষণৰ কার্যপ্রণালী।
- CRA এ তৈয়াৰ কৰিব লগীয়া অভ্যন্তৰীণ কার্যপ্রণালী।
- CRA এ প্রকাশ কৰা মানৰ সংজ্ঞা আৰু তাৰ অন্তর্নিহিত কাৰণ।
- বোর্ডত জমা দিব লগীয়া তথ্য।
- বোর্ডে প্রচাৰ কৰা পত্রৰ আজ্ঞা মানি চলা।
- Compliance officer নিযুক্তি।
- হিচাপ-নিকাচৰ সংৰক্ষণ।

- গোপনীয়তা।
- মান নির্ণায়নৰ প্ৰক্ৰিয়া।

৮.১৩ SEBI ৰ আচৰণ বিধি (SEBI Regulations of Credit Rating Agencies)

SEBI এ CRAৰ স্পষ্ট আৰু স্বতন্ত্ৰ কাৰ্যপ্ৰণালী নিশ্চিত কৰিবৰ বাবে আচৰণ বিধি তৈয়াৰ কৰিছে। আচৰণ বিধি কিছুমান ব্যৱস্থাপনা তলত দিয়া হ'ল ঃ

1. বিনিয়োগকাৰীৰ লাভালাভ সুৰক্ষা কৰিবৰ বাবে এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে যথা শক্তি চেষ্টা কৰিব লাগিব।
2. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে নিজৰ ব্যৱসায়ৰ পৰিচালনাত উচ্চ স্তৰৰ সংহতি, সন্মান আৰু নিৰপেক্ষতা মানি চলিব লাগিব।
3. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে নিজৰ দায়বদ্ধতাসমূহ অতি শীঘ্ৰে, নৈতিকতাৰে আৰু বৃত্তিগতভাৱে পূৰ্ণ কৰিব লাগিব।
4. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে মান নির্ণায়ন প্ৰক্ৰিয়াৰ বাস্তৱতা আৰু স্বতন্ত্ৰতা অব্যাহত ৰাখিবলৈ কৰ্তব্যনিষ্ঠা অনুশীলন কৰিব লাগিব। উপযুক্ত যত্ন আৰু স্বতন্ত্ৰ বৃত্তিগত ন্যায় নির্ণয়ৰ অনুশীলন কৰাৰ নিশ্চিত কৰিব লাগিব।
5. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে মান নির্ণায়নৰ গভীৰ আৰু উপযুক্ত গৱেষণাৰ সহায়েৰে মূল্যায়ন পৰিৱেশন কৰিবলৈ যুক্তিপূৰ্ণ আৰু পৰ্যাপ্ত ভিত্তিৰ প্ৰয়োজন।
6. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে মান নির্ণায়নৰ এনেকুৱা প্ৰক্ৰিয়া তৈয়াৰ কৰা উচিত যিটোৱে অপৰিৱৰ্তনশীলতা আৰু আন্তঃৰাষ্ট্ৰীয় মান নির্ণায়নৰ স্তৰ প্ৰতিফলিত কৰে।
7. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে কোনো প্ৰকাৰৰ অনুচিত প্ৰতিদ্বন্দ্বিতাত সংযমহীন নহয় যেন নাইবা কোনো গ্ৰাহকক উচ্চ স্তৰৰ মান প্ৰদান কৰাৰ নিশ্চয়তাৰে টানি নিয়াৰ চেষ্টা নকৰে।
8. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে গ্ৰাহক কোম্পানী সম্বন্ধীয় গুৰুত্বপূৰ্ণ তথ্যসমূহৰ গম লোৱা প্ৰয়োজনীয় আৰু সময়োপযোগী আৰু সঠিক মান উৎপন্ন কৰিবৰ বাবে দক্ষ আৰু প্ৰত্যুত্তৰমূলক কৰ্ম প্ৰণালী তৈয়াৰ কৰিব লাগিব। তদুপৰি এটা মান নির্ণয় কৰা প্ৰতিষ্ঠানে আহিলা বিলি কৰা কোম্পানীৰ ঋণ প্ৰাপ্তিৰ যোগ্যতাক প্ৰভাৱ পেলাব পৰা কাৰকসমূহক ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ প্ৰয়োজন।
9. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে নিজৰ মান নির্ণায়নৰ পদ্ধতি গ্ৰাহকক, ব্যৱহাৰকাৰীক আৰু জনসাধাৰণক প্ৰকাশ কৰিব লাগিব।
10. এটা ঋণৰ মান নির্ণয় কৰা প্ৰতিষ্ঠানে, প্ৰয়োজন অনুযায়ী গ্ৰাহকসকলক কৰ্তব্য আৰু স্বাৰ্থৰ সংঘাতৰ সম্ভাব্য উৎসসমূহৰ বিষয়ে সদৰী কৰিব লাগে, যিবোৰে প্ৰতিষ্ঠানটোৰ সঠিক, বস্তুনিষ্ঠ আৰু নিৰপেক্ষ মান নির্ধাৰণৰ ক্ষমতাক বাধাগ্ৰস্ত কৰিব পাৰে। তদুপৰি,

প্রতিষ্ঠানটোৱে নিশ্চিত কৰিব লাগে যে ঋণৰ মান বিশ্লেষণ প্রক্রিয়াত অংশগ্রহণ কৰা মান নির্ণয় কৰা সমিতিৰ সমস্যাসকল আৰু গ্রাহকসকলৰ মাজত কোনোধৰণৰ স্বার্থজনিত সংঘাত বর্তি নাথাকে।

11. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে নিজৰ যোগ্যতা বা নিজৰ ক্ষমতাৰ বিবৃতি বঢ়াই মেলি, তাৰ গ্রাহকক লিখিত বা মৌখিকভাৱে ক'ব নোৱাৰে।

12. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে কোনো ধৰণৰ অসত্য বিবৃতি তৈয়াৰ কৰিব নোৱাৰে। কোনো ধৰণৰ বাস্তৱিক তথ্য দবাই ৰাখিব নোৱাৰে বা কোনো দস্তাবেজত কোনো ধৰণৰ উপস্থাপন কৰিব নোৱাৰে যিটো বোর্ড ষ্টক এক্সচেঞ্জ বা ৰাজহুৱা জনসাধাৰণক যোগান ধৰাই দিয়া গৈছে।

13. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে নিশ্চিত কৰি ৰাখিব লাগিব যে তেওঁলোকৰ বিৰুদ্ধে কোনোধৰণৰ কার্যব্যৱস্থা, আইনগত কার্যবাহী ইত্যাদি লোৱা যায় তেন্তে বোর্ডক পলম নকৰাকৈ জনাব লাগিব।

14. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে উপযুক্ত স্তৰৰ জ্ঞান আৰু সামর্থ অব্যাহত ৰাখিব লাগিব আৰু আইনৰ নীতি নিয়ম মানি চলিব লাগিব। ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে ৰাজহুৱা অভিযোগৰ বিচাৰ কৰা চৰকাৰী বিষয়াৰ SEBI ৰ অভ্যন্তৰত প্রদান কৰা সিদ্ধান্তক মানিব লাগিব।

15. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে নিশ্চিত কৰিব লাগিব যে মান নির্ণায়নৰ গুৰুত্বপূর্ণ তথ্য মান নির্ণায়নৰ সিদ্ধান্তৰ পূর্বৱর্তী জ্ঞানকে ধৰি অন্য কোনো বিশেষাধিকাৰ তথ্যৰ অপব্যৱহাৰ নহয় ।

16. (ক) এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে বা তাৰ কোনো কর্মচাৰীয়ে পোনচাটে বা পৰোক্ষভাৱে যিকোনো প্রতিভুতিকলৈ বিনিয়োগৰ পৰামর্শ ৰাজহুৱা জনসংযোগ মাধ্যমত নিদিয়ে যেন।

(খ) এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে মূল্যায়ন হোৱা আনুষ্ঠানক ঋণৰ মান নির্ণায়ন আৰু গৱেষণাৰ বাহিৰে কোনো প্রকাৰৰ মাচুল-ভিত্তি সেৱা প্রদান কৰিব নোৱাৰে।

17. ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান এখনে নিশ্চিত কৰিব লাগে যে পঞ্জীয়নৰ স্থিতি অথবা পৰিষদে দণ্ড বিধান কৰা অথবা বিত্ত-সম্পর্কীয় গুৰুত্বপূর্ণ সাল-সলনি, যিবোৰে গ্রাহকসকল বা বিনিয়োগকাৰীসকলৰ স্বার্থত নেচিবাচক প্রভাৱ পেলাব পাৰে, সেইবোৰৰ বিষয়ে গ্রাহকসকলক খৰতকীয়াকৈ জনোৱা হয় আৰু ব্যৱসায় সম্পর্কীয়, যিকোনো অসমাপ্তি, ক্ষতিগ্রস্ত, গ্রাহকসকল বা বিনিয়োগকাৰীসকলৰ পৰামর্শমতে বেলেগ এজন পঞ্জীকৃত ব্যক্তিয়ে স্থানান্তৰিত কৰিব লাগে।

18. এটা মান নির্ণয় কৰা প্রতিষ্ঠানে নিজৰ ঋণৰ মান নির্ণায়নৰ কাম আৰু তাৰ লগত জড়িত কামৰ মাজত এটা দূৰত্ব অব্যাহত ৰাখিব লাগিব।

19. এটা মান নির্ণয় কৰা প্রতিষ্ঠানে নিজৰ অভ্যন্তৰীণ কর্মপদ্ধতি, শাসন কৰিবলৈ আৰু

কর্মচাৰীৰ উপযুক্ত আচৰণ ব্যৱহাৰৰ আদর্শ মান নির্ধাৰিত কৰিবলৈ নিজাকে অভ্যন্তৰীণ আচৰণ বিধি বিকাশ কৰিব লাগিব। তেনে এখন বিধিয়ে কোম্পানীৰ বহুতো গুৰুত্বপূর্ণ পৰিস্থিতি বৃত্তিয়ান শ্রেষ্ঠতা অব্যাহত ৰাখিবলৈ সহায় কৰে।

20. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে তেওঁৰ Compliance officer ক সার্থকভাৱে নিজৰ কর্তব্য পালন কৰিবৰ বাবে যথেষ্ট স্বাধীনতা আৰু শক্তি প্রদান কৰাৰ প্রয়োজন।
21. এটা ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানে নিশ্চিত কৰিব লাগিব যে ব্যৱসায়ৰ জ্যেষ্ঠ ব্যৱস্থাপক, বিশেষভাৱে সিদ্ধান্ত লওঁতাই ব্যৱসায়ৰ প্রাসংগিক তথ্যসমূহ সময়তে প্রাপ্ত কৰিব পাৰে।
22. এটা মান নির্ণয় কৰা প্রতিষ্ঠানে নিশ্চত কৰিব লাগিব যে কোম্পানীত ভাল বাণিজ্যিক কর্মনীতি আৰু বাণিজ্যিক পৰিচালনা অনুসৰণ কৰা হয়।
23. ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান এখনে সাধাৰণভাৱে আৰু বিশেষভাৱে নিজে মান নির্ণয় কৰা প্রতিভুতিসমূহৰ বিলিকৰণ প্রক্রিয়াৰ অংশ হ'ব নালাগে অথবা— (ক) ভুৱা বজাৰৰ সৃষ্টি (খ) দৰৰ ৰদ-বদল বা হেৰ-ফেৰ, (গ) ষ্টক এক্সজেঞ্জত সূচীভুক্ত বা সূচীভূক্ত কৰিবৰ কাৰণে প্রস্তাৱিত প্রতিভুতিসমূহৰ মান নির্ণায়নত অন্তর্নিহিত কাৰণৰ লগত সংগতি নথকা দৰ সংক্রান্তীয় সংবেদনশীল তথ্যসমূহৰ প্রচাৰ ইত্যাদিত আহিলাস্বৰূপে কাম কৰিব নালাগে।



৮.১৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঋণৰ মান নির্ণায়ন হ'ল ঋণ পত্রৰ সুত আৰু মূলধনৰ সময়োপযোগী পৰিশোধৰ লগত জড়িত ক্ষতি-আশংকাৰ তুলনামূলকলমানৰ এটি ৰায়।
- মান নির্ণায়ন আক্ষৰিক বা অ্যালফা-নিউমেৰিক প্রতীকত দেখুৱা হয়।
- ঋণৰ মান নির্ণায়ন বিনিয়োগকাৰী ঋণদাতা আৰু অংশ বিলি কৰা কোম্পানীৰ বাবে উপকাৰী।
- বিনিয়োগকাৰী, মধ্যস্থতাকাৰীসকল, বিত্তীয় আহিলা বিলি কৰা কোম্পানী আৰু ব্যৱসায়িক আৰু বিত্তীয় প্রতিষ্ঠানবোৰ হ'ল মান নির্ণায়নৰ উপভোক্তাসকল।
- এখন মান নির্ণয় কৰা প্রতিষ্ঠানে তৈয়াৰ কৰা মান নির্ণায়নৰ পদ্ধতিত সাধাৰণতে অন্তর্ভুক্ত থাকে বাণিজ্যিক ক্ষতি আশংকাৰ বিশ্লেষণ, বিত্তীয় ক্ষতি আশংকাৰ বিশ্লেষণ, ব্যৱস্থাপনাৰ ক্রমবিকাশ আৰু মৌলিক বিশ্লেষণ। CRISIL ভাৰতৰ প্রথম ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান যিটো ১৯৮৮ চনত স্থাপন হৈছিল।
- ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ড (ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠান) বিধি-বিধান, ১৯৯৯ এ ভাৰতত পৰিচালিত CRA ক নিয়ন্ত্রণ কৰিবলৈ SEBI ক কর্তৃত্ব প্রদান কৰিছে।



৮.১৫ অধিক জানিবলৈ (FURTHER READINGS)

১) Arora, M. (2003) "Credit Rating in India –Institutions, Methods and Evaluation", New Century Publications, Delhi.

২) Verma, J.C. (2000) "Credit Rating Concepts: Practices and Procedures", Bharat Publishing House, New Delhi.



৮.১৬ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ ঋণৰ মান নির্ণায়ন হ'ল ঋণ পত্রৰ সুত আৰু মূলধনৰ সময়োপযোগী পৰিশোধৰ লগত জড়িত ক্ষতি-আশংকাৰ তুলনামূলক মানৰ এটি ৰায়।

২ নং প্রশ্নৰ উত্তৰঃ ঋণৰ মান নির্ণায়নৰ বিভিন্ন প্রকাৰসমূহ হ'ল গণৰাজ্যৰ ঋণৰ মান নির্ণয়ন, হ্রস্বকালীন ঋণৰ মান নির্ণায়ন আৰু ব্যৱসায়ীক ঋণৰ মান নির্ণায়ন।

৩ নং প্রশ্নৰ উত্তৰঃ ভাৰতৰ দুখন মান নির্ণয় কৰা প্রতিষ্ঠানৰ নাম হ'ল Credit Analysis and Research Ltd. (CARE) আৰু SME Rating Agency of India Limited (SMERA).

৪ নং প্রশ্নৰ উত্তৰঃ ঋণৰ মান নির্ণায়ন সেৱাৰ দুগৰাকী উপভোক্তাৰ নাম হ'ল বিনিয়োগকাৰী আৰু আহিলা বিলি কৰা কোম্পানী।



৮.১৭ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ বিনিয়োগকাৰী আৰু আহিলা বিলি কৰা কোম্পানীৰ বাবে ঋণৰ মান নির্ণায়নৰ সুবিধাসমূহ উল্লেখ কৰা।

প্রশ্ন ২ঃ ঋণৰ মান নির্ণায়নৰ পদ্ধতিৰ বিস্তৃত আলোচনা কৰা।

প্রশ্ন ৩ঃ ভাৰতত ঋণৰ মান নির্ণয় কৰা প্রতিষ্ঠানবোৰক পৰিচালনা কৰিবলৈ SEBIএ বাহিৰ কৰা বিধি-বিধানসমূহৰ বিস্তৃত আলোচনা কৰা।

প্রশ্ন ৪ঃ CRISIL ৰ ওপৰত এটা চমু টোকা লিখা।

*** ***** ***